**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-12-2025
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। দুমাহৰ পাছত অসম বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ সম্ভাৱনা।
২। ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ খচৰা তালিকা প্ৰকাশ।
৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ভ্ৰমণৰ পূৰ্বে মন্ত্ৰী পীযূষ হাজৰিকাৰ বটদ্ৰৱা প্ৰকল্পস্থলী পৰিদৰ্শন।
৪। গোৱালপৰীয়া লোকগীতৰ যশস্বী শিল্পী প্ৰতিমা বৰুৱা পাণ্ডেৰ মৃত্যু বাৰ্ষিকী উপলক্ষে লোকসংস্কৃতিৰ সাধক ৰত্নেশ্বৰ মৰাণলৈ **প্ৰতিমা বৰুৱা পাণ্ডে** বঁটা। *আৰু*
৫। অসম সাহিত্য সভাৰ আজি ১০৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ।

০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সভাৰ আজি সামৰণি পৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দলীয় কৰ্মীসকলক উদ্দেশ্যি দিয়া ভাষণত কংগ্ৰেছ দলৰ দুৰ্বলতা আৰু তোষামোদৰ ৰাজনীতিক তীব্ৰ সমালোচনা কৰে। বিজেপি নেতৃত্বাধীন চৰকাৰে এতিয়ালৈকে ৰাজ্যত এক লাখ ৪৫ হাজাৰতকৈও অধিক বিঘা ভূমি দখলমুক্ত কৰিছে বুলি তেওঁ উল্লেখ কৰে। ৰাজ্যৰ উন্নয়নৰ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কাজিৰঙাৰ ওপৰেৰে ৩২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উৰণ সেতু নিৰ্মাণ কৰা হ'ব। গহপুৰ-নুমলীগড়ৰ মাজত ব্ৰহ্মপুত্ৰৰ তলেৰে সুৰংগ পথ নিৰ্মাণৰ কথাও তেওঁ উল্লেখ কৰে। তেওঁ লগতে শিলচৰ-গুৱাহাটীৰ মাজত ২২ হাজাৰ কোটি টকা ব্যয়ৰে এক্সপ্ৰেছ হাইৱে নিৰ্মাণৰ বিষয়ে জানিবলৈ দিয়ে।

ৰাজ্যত ৬০ দিনৰ পাছত বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে এই বৈঠকত প্ৰকাশ কৰে। নামনি অসমৰ পাছত উজনি অসমতো এটা বিশেষ সম্প্ৰদায়ৰ আগ্ৰাসন বৃদ্ধি হৈছে বুলি মন্তব্য কৰি তেওঁ এই ক্ষেত্ৰত সকলোকে সজাগ-সচেতন হ'বলৈ তেওঁ আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও আজি কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰি দলীয় নেতা-কৰ্মীক উদ্দেশ্যি ভাষণ দিয়ে।

০০০

ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ খচৰা তালিকা আজি প্ৰকাশ কৰা হয়। এই তালিকা সন্দৰ্ভত ৰাইজে অহা ২২ জানুৱাৰী পৰ্যন্ত ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে ৩, ৪, ১০ আৰু ১১ জানুৱাৰীত বিশেষ শিবিৰ অনুষ্ঠিত হ'ব। ২ ফেব্ৰুৱাৰীৰ ভিতৰত এই ওজৰ-আপত্তিসমূহ নিষ্পত্তি কৰি ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। খচৰা তালিকা অনুসৰি ভোটাৰ তালিকাৰ পাৰা ৰাজ্যৰ ৪ লাখ ৭৮ হাজাৰ ৯৯২ জন ভোটদাতাৰ নাম কৰ্তন কৰা হৈছে। বাসস্থান সলনি কৰা ৫

লাখ ২৩ হাজাৰ ৬৬০ জন ভোটদাতাক চিনাক্ত কৰাৰ লগতে কেইবাটাও স্থানত নাম থকা ৫৩ হাজাৰ ৬১৯ জন ভোটদাতাক চিনাক্ত কৰা হৈছে। এই তালিকা অনুসৰি ৰাজ্যত মুঠ ভোটদাতা ২ কোটি ৫২ লাখ দুহেজাৰ ৭৭৫ আৰু ডি-ভোটাৰ ৫৩ হাজাৰ ২১ জন।

কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টি সামৰি আজি ফটোযুক্ত ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ কৰা হয়। এই সন্দৰ্ভত যাৱতীয় তথ্য সদৰি কৰি জিলা আয়ুক্ত সুমিত ছাট্টাৰানে এইদৰে কয়—

**বাইট (সুমিত ছাট্টাৰান)**

খচৰা তালিকা অনুসৰি কামৰূপ মহানগৰ জিলাত ১ দশমিক ৬-৩ শতাংশ ভোটদাতা বৃদ্ধি হোৱাৰ লগতে ১০৫টা অতিৰিক্ত ভোটগ্ৰহণ কেন্দ্ৰ সংযোজনৰ কৰাৰ প্ৰস্তাৱ দিয়া হৈছে।

**ধেমাজি** জিলাত আজি তিনিটা বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাৰ খচৰা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হয়। জিলা আয়ুক্ত ৰাহুল সুৰেশ জাৰীৱে এখন সংবাদমেলত মুঠ ৫ লাখ ৮৩ হাজাৰ ৮৭৬ গৰাকী ভোটাৰ আছে বুলি উল্লেখ কৰে।

**কাছাৰ** জিলাতো ৭টা বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাৰ খচৰা আজি আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। জিলা দণ্ডাধীশ তথা জিলা নিৰ্বাচনী বিষয়া মৃদুল যাদৱৰ সভাপতিত্বত ভোটাৰ তালিকাৰ খচৰা প্ৰকাশৰ বাবে এখন বৈঠক অনুষ্ঠিত হয়।

**ধুবুৰী** জিলাৰ আয়ুক্ত দিবাকৰ নাথে ২০২৬ বৰ্ষৰ ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ কৰে। আয়ুক্তগৰাকীয়ে কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত সংবাদমেলত কয়, যে যোৱা ২২ নৱেম্বৰৰ পৰা বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ জৰীপ কৰাৰ পাছত আজিৰ এই খচৰা প্ৰকাশ কৰা হৈছে।

**চিৰাঙৰ** নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত যতীন বৰাই আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত জিলাখনৰ ১৯ নম্বৰ জনজাতি সংৰক্ষিত ছিডলী-চিৰাং আৰু ২০ নম্বৰ বিজনী বিধানসভা সমষ্টিৰ ভোটাৰ তালিকা প্ৰকাশ কৰে। আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে যে অহা ২২ জানুৱাৰীলৈকে বিভিন্ন সজাগতাৰ জৰিয়তে ভোটাৰসকলৰ নাম শুধৰণিকে ধৰি আন আন ওজৰ-আপত্তি গ্ৰহণ আদি সেৱা উপলভ্য হ'ব।

**তামুলপুৰ** জিলাৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত অনুষ্ঠিত এখন সভাত ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ কৰা হয়। আয়ুক্তগৰাকীয়ে বিশুদ্ধ ভোটাৰ তালিকাৰ পোষকতা কৰি তৃণমূল পৰ্যায়ত কৰ্মীসকলে সামঞ্জস্য ৰাখি কাম কৰিবলৈ আহ্বান জনায়।

**দৰং** জিলাতো আজি আনুষ্ঠানিকভাৱে ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ কৰা হয়। বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত জিলাৰ আয়ুক্ত পৰাগ কুমাৰ কাকতি, অতিৰিক্ত জিলা আয়ুক্ত আৰু নিৰ্বাচনী বিষয়াই এই তালিকা প্ৰকাশ কৰে।

০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ভ্ৰমণকালত শ্ৰীশ্বাহে গুৱাহাটী আৰু বটদ্ৰৱাত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ পৰহিলৈ নগাঁও জিলাৰ বটদ্ৰৱাত অসম চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ

জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

গৃহমন্ত্ৰীগৰাকীৰ উপস্থিতিত বটদ্ৰৱা প্ৰকল্প উদ্বোধনী অনুষ্ঠানৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ঐতিহ্যমণ্ডিত আকাশীগংগাৰ তীৰত নিৰ্মাণ কৰা বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পথলীত আজিৰে পৰা উখল মাখল পৰিৱেশৰ সৃষ্টি হৈছে। অঞ্চলটোৰ ৰাইজে গৃহমন্ত্ৰীগৰাকীক আদৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। আজি জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকা আৰু নগাওঁ জিলা আযুক্তই প্ৰকল্পৰ চূড়ান্ত পৰ্যায়ৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে এই পৰিদৰ্শনৰ পাছত সাংবাদিকৰ আগত এইদৰে কয়ঃ

**বাইট ঃ পিযুষ**

গৃহমন্ত্ৰী শ্ৰী শ্বাহে একেদিনাই গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্তালয় আৰু খানাপাৰাত নৱ নিৰ্মিত জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৫ হাজাৰ খন আসনযুক্ত এই প্ৰেক্ষাগৃহ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ২৯ ডিচেম্বৰৰ বিয়লি ৪ বজাত আয়োজিত এটা অনুষ্ঠানত প্ৰেক্ষাগৃহতো উদ্বোধন কৰিব। এই প্ৰেক্ষাগৃহত সন্মিলন ভৱন, বহু খলপীয়া গাড়ী ৰখোৱা স্থান, উদ্যান, ফুডকোৰ্ট ইত্যাদি থাকিব। আনহাতে, আৰক্ষী আয়ুক্তালয়ৰ নৱ নিৰ্মিত ৮ মহলীয়া ভৱনটো উন্নত প্ৰযুক্তিৰে সজ্জিত কৰা হৈছে। ইয়াত অন্যান্য সা-সুবিধাৰ লগতে গুৱাহাটী স্মাৰ্ট ছিটি প্ৰকল্পৰ জৰিয়তে নিৰ্মিত মহানগৰীৰ দুহেজাৰৰো অধিক চি চি টিভি নিৰীক্ষণৰে সমৃদ্ধ সংহত নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা কেন্দ্ৰ থাকিব। ভৱনটোৰ চতুৰ্থ মহলাত থকা এই কেন্দ্ৰটো গৃহমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কিছুদিন পূৰ্বে এই কেন্দ্ৰটো পৰিদৰ্শনৰ সময়ত প্ৰকাশ কৰা মতে, আয়ুক্তালয় উদ্বোধনৰ পাছতে শ্ৰীশ্বাহে নতুন ফৌজদাৰী আইন ৰূপায়ণৰ দিশত অসমে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আয়োজিত এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰিব। অসম আৰক্ষীয়ে এই ক্ষেত্ৰত লাভ কৰা  সফলতাসমূহ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক অৱগত কৰোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে নতুন ফৌজদাৰী আইন ৰূপায়নৰ ক্ষেত্ৰত অসম দেশৰ  ভিতৰতে শীৰ্ষ স্থানত থকা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শেহতীয়া অসম ভ্ৰমণত সন্তুষ্টি প্ৰকাশ কৰিছিল।

০০০

গোৱালপৰীয়া লোকগীতৰ যশস্বী শিল্পী প্ৰতিমা বৰুৱা পাণ্ডেৰ ২৩ সংখ্যক মৃত্যু বাৰ্ষিকী আজি বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হৈছে। ৰাজ্যখনৰ সাংস্কৃতিক ক্ষেত্ৰখনক চহকী কৰা পদ্মশ্ৰী সন্মানেৰে বিভূষিত শিল্পীগৰাকীৰ সোঁৱৰণত সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিবছৰৰ দৰে এইবাৰো গুৱাহাটীৰ চানমাৰিৰ ছহিদ উদ্যানত বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত ছাত্ৰ সংগঠনটোৱে প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰাৰ লগতে লোক সংস্কৃতিৰ একনিষ্ঠ সাধক তিনিচুকীয়াৰ কাকপথাৰৰ ৰত্নেশ্বৰ মৰাণক চলিত বৰ্ষৰ প্ৰতিমা বৰুৱা পাণ্ডে বঁটা প্ৰদান কৰে। অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰ ফুকনে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত অংশগ্ৰহণ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যই এইদৰে কয় -

**বাইট (সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য)**

০০০

চিৰাং জিলাৰ আই নৈৰ হাগ্ৰামা দলঙৰ কাষত আজিৰে অহা ৭ জানুৱাৰীলৈ **আই নৈ নতুন বৰ্ষ উৎসৱ**ৰ আয়োজন কৰা হৈছে। আজি পুৱা চাৰে ৫ বজাত নিলিবাৰীৰ পৰা হাগ্ৰামা দলঙলৈ ২৫ কিলোমিটাৰ দূৰত্বৰ মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। পুৱা ৯ বজাত বিটিচিৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্মাই উৎসৱৰ মূল তোৰণ মুকলি কৰে। আয়োজকসকলে জনোৱা অনুসৰি এই উৎসৱত ৰাইজৰ মনোৰঞ্জনৰ বাবে ঘোঁৰা আৰু হাতী ছাফাৰীৰ লগতে অন্যান্য জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ, বিভিন্ন প্ৰতিযোগিতাৰ উপৰি সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে।

০০০

সদৌ অসম মহিলা কৰ্মচাৰী সন্থাৰ দশম ত্ৰিবাৰ্ষিক ৰাজ্যিক অধিবেশন আজিৰে পৰা দুদিনীয়াকৈ হাউলিত অনুষ্ঠিত হৈছে। হাউলী ৰাস মন্দিৰ প্ৰাঙ্গনত আজি অনুষ্ঠিত এই অধিবেশনৰ প্ৰথম দিনা পতাকা উত্তোলন, স্মৃতি তৰ্পন, আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছতে কেইবাখনো জিলাৰ পৰা অহা সংগঠনৰ মহিলা প্ৰতিনিধিসকলৰ মাজত দিহা নাম আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি বিষয় বাচনি সভা আৰু প্ৰতিনিধি সভাও অনুষ্ঠিত হ'ব। কাইলৈ মুকলি সভা অনুষ্ঠিত হ'ব। এই সভাত সদৌ অসম মহিলা কৰ্মচাৰী সন্থাৰ বিভিন্ন সমস্যা আৰু প্ৰত্যাহ্বান সম্পৰ্কে আলোচনা কৰা হ'ব।

০০০

আজি অসম সাহিত্য সভাৰ ১০৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত থকা জিলা আৰু শাখা সাহিত্য সভাসমূহৰ উদ্যোগত কাৰ্যসূচী লোৱা হয়। ১৯১৭ চনৰ ২৬ ডিচেম্বৰত শিৱসাগৰত সভাৰ প্ৰথমখন অধিৱেশন অনুষ্ঠিত হৈছিল। এই উপলক্ষে আজি শিৱসাগৰত বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

ডিব্ৰুগড় জিলাতো আজি অসম সাহিত্য সভাৰ উদ্যোগত সভাৰ ১০৯ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই অনুষ্ঠানত নিজ নিজ কৰ্মক্ষেত্ৰত সাফল্য অৰ্জন কৰা ডিব্ৰুগড় সাহিত্য সভাৰ ৪ গৰাকী কাৰ্যনিৰ্বাহক বিষয়ববীয়াক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানতে শেহতীয়াকৈ অসম চৰকাৰে প্ৰদান কৰা যুৱ লেখক সন্মান লাভ কৰিবলৈ সমৰ্থ হোৱা সভাই কেইবাগৰাকী বিষয়ববীয়াক সন্মানিত কৰা হয়। অনুষ্ঠানত অসম সাহিত্য সভাৰ আজীৱন সদস্যপদ গ্ৰহণ কৰা ৯ গৰাকী ব্যক্তিক আনুষ্ঠানিকভাৱে আজীৱন সদস্যৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

অসমৰ ভাষা, সাহিত্য আৰু সাংস্কৃতিক ঐতিহ্যৰ অন্যতম শীৰ্ষ স্থানীয় অনুষ্ঠান ৰূপে অসম সাহিত্য সভাই জাতীয় জীৱনলৈ অনন্য অৱদান আগবঢ়াই আহিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, যে অসমীয়া ভাষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত অসম সাহিত্য সভাই নিৰবচ্ছিন্নভাৱে কাম কৰি আছে। শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে কয়, যে অসমীয়া ভাষা সাহিত্যৰ বিকাশৰ লগতে অসমৰ বহুভাষীক সাহিত্যৰ সুৰক্ষা, সংৰক্ষণ আৰু সমৃদ্ধিত সাহিত্য সভাই অনাগত দিনত অগ্ৰণী ভূমিকা পালন কৰিব।

গুৱাহাটীৰ অসম সাহিত্য সভাৰ ভৱনতো আজি এই উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ উদ্যোগত আৰু মধ্য গুৱাহাটী স্বৰ্ণ শাখা সাহিত্য সভাৰ সহযোগত আজি দিঘলিপুখুৰী পাৰৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰ্মনে সভাৰ পতাকা উত্তোলন কৰে। অনুষ্ঠানত মুখ্য অতিথি

হিচাপে অংশ লৈ সাহিত্য একাডেমী বঁটাৰে সন্মানিত বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ ধ্ৰুৱজ্যোতি বৰাই অসমৰ খিলঞ্জীয়া লোকসলকল একত্ৰিত হোৱাৰ সময় সমাগত বুলি উল্লেখ কৰে। ইতিবাচক আদান প্ৰদান আৰু বুজাবুজিৰে প্ৰতিটো জাতি জনগোষ্ঠীয়ে অসমৰ সংস্কৃতি আৰু ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰসাৰ কৰিব লাগিব বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতাই অসমীয়া ভাষা বিশ্বৰ বহু ভাষাৰ তুলনাত চহকী বুলি মন্তব্য কৰে। আজিৰ অনুষ্ঠানত কেইবাগৰাকী শিল্পীয়ে সাহিত্য সভাৰ শীৰ্ষ গীত চিৰ চেনেহী মোৰ ভাষা জননীৰ লগতে অন্যান্য গীত পৰিবেশন কৰে।

বজালী জিলাৰ পাটাছাৰকুছিত আজি অসম সাহিত্য সভাৰ পাটাছাৰকুছি শতদল শাখা সাহিত্য সভাৰ উদ্যোগত কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে শাখাৰ সভাপতি হৰ্ষমোহন শৰ্মাই পতাকা উত্তোলন কৰি কাৰ্যসূচী মুকলি কৰে। প্ৰাক্তন সভাপতি ৰবীন্দ্ৰ নাথ শৰ্মাই স্মৃতি তৰ্পন কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ জন্মলগ্ন তথা সুদীৰ্ঘ দিনৰ কৰ্মৰাজি সন্দৰ্ভত কেইবাগৰাকীও বক্তাই ভাষণ আগবঢ়ায়।

বজালী জিলাৰ নিত্যানন্দৰ শতদল শাখা সাহিত্য সভাৰ উদ্যোগতো আজি সভাৰ ১০৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ লৈ অসম সাহিত্য সভাই জাতীয় জীৱনলৈ আগবঢ়োৱা বৰঙণি সম্পৰ্কে ব্যাখ্যা কৰে।

০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত গ্ৰন্থমেলাত আজি যুৱ লেখক সন্মিলন **উন্মিলন** অনুষ্ঠিত হয়। বিশিষ্ট সাহিত্যিক তথা আমাৰ অসম কাকতৰ মুখ্য সম্পাদক মনোজ কুমাৰ গোস্বামীয়ে এই সন্মিলন উদ্বোধন কৰি কয়, যে বয়সে সাহিত্যক উত্তীৰ্ণ নকৰে, প্ৰতিভা আৰু সাধনাই উত্তীৰ্ণ কৰে। এই সন্দৰ্ভত তেওঁ ২৫ বছৰ বয়সত মৃত্যুবৰণ কৰা বিশ্ব প্ৰসিদ্ধ কবি জন কিডছ আৰু ২৯ বছৰ বয়সত মৃত্যুবৰণ কৰা ছেলীৰ উদাহৰণ দিয়ে। পূৰ্ণ সাধনা, অধ্যয়ন আৰু পৰ্যবেক্ষনৰ জৰিয়তেহে উত্তৰণ সম্ভৱ বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে নতুন লেখক লেখিকাসকলক আগবঢ়াই নিয়া সম্পাদকসকলৰ দায়িত্ব আছে। নিৰ্মোহ আৰু দায়িত্বশীল সমালোচনাৰো প্ৰয়োজন আছে বুলি তেঁও সাহিত্যিকগৰাকীয়ে প্ৰকাশ কৰে। লেখক, অনুবাদক তথা জৰ্জিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰুণি কাশ্যপ নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থকা এই সন্মিলন লেখক তথা জ্যেষ্ঠ জনসংযোগ বিষয়া সমীৰ শাণ্ডিল্যই সঞ্চালনা কৰে। ইয়াৰ পাছত জন্ম শতবৰ্ষৰ শ্ৰদ্ধাৰ্ঘ্যৰ আলোচনা সত্ৰত 'আধুনিকতাবাদ আৰু কবি অজিত বৰুৱা' সন্দৰ্ভত এখন আলোচনা অনুষ্ঠিত হয়। আলোচনা সত্ৰখন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট সাহিত্যিক, সমালোচক ড০ আনন্দ বৰমুদৈয়ে সঞ্চালনা কৰে।

০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী সূৰ্যঘৰ বিনামূলীয়া বিদ্যুৎ আঁচনি সম্পৰ্কত কথোপথন শুনিবলৈ পাব। ইয়াত ভাগ ল'ব অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ উপ-প্ৰবন্ধক বৈশালী তালুকদাৰ আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি পৰিৱেশিকা জিণ্টীৰাণী ডেকাই।

০০০

সমাপ্ত